# নাৰ্চাৰী ব্যৱসায়ত সফল কৃষকজন

নাম ঃ টঙ্কুৰাম বৰা

পিতা ঃ লীলাৰাম বৰা

শিক্ষা ঃ প্ৰাক্ বিশ্ব বিদ্যালয়

গাওঁ ঃ সোণাপুৰ

ডাকঘৰ ঃ সোণাপুৰ

জিলা ঃ কামৰূপ

১৯৬২ চনত ডিগাৰুৰ ঘৰৰ চৌহদত পিতৃ লীলাৰাম বৰাই আৰম্ভ কৰা ফলমূলৰ পুলিবাৰী খনিৰ উদ্দেশ্য আছিল গুণগত মানৰ ফলমূলৰ পুলি/ কলম উৎপাদন কৰি স্থানীয় লোকক যোগান ধৰা। কৃষিক্ষেত্ৰত যোগোৰা অৰিহণাৰ বাবে পিতৃয়ে ১৯৮৮ চনত ভাৰত চৰকাৰৰ “লালবাহাদুৰ শাস্ত্ৰী” বটা লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁৰেই পুত্ৰ শ্ৰীটঙ্কুৰাম বৰাই চৰকাৰী চাকৰিৰ আশা বাদ দি পিতৃৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সোণাপুৰত স্থাপন কৰে “অসম লক্ষ্মী নাৰ্চাৰী”। অকল ফলমূলৰ পুলি উৎপাদনতে সীমাবদ্ধ নাথাকি, শাক-পাচলি আৰু বিভিন্ন ফুল- ফুলৰ পুলি উৎপাদনৰ ক্ষেত্ৰখনো সামৰি লৈছে। ২০০২-০৩ বৰ্ষত তেওঁ প্ৰযুক্তি অভিযান (উদ্যান শস্য) আচনিৰ জৰিয়তে বৃহৎ নাৰ্চাৰী স্থাপনৰ শিতানত ৮ লাখ টকাৰ অনুদান অসম চৰকাৰৰ পৰা পাবৰ বাবে মনোনীত হয়। বৰ্ত্তমান তেওঁ ৪ লাখ টকা পাইছে আৰু নাৰ্চাৰীখন আনতকৈ অধিক উন্নতমানৰ কৰিছে। বিভিন্ন প্ৰজাতিৰ উন্নত ফলমূলৰ মাতৃ গছো সংগ্ৰহ কৰিছে। উন্নত জলসিঞ্চন ব্যৱস্থা স্থাপন কৰিছে। এটা পলিথিন গৃহওঁ সাজি লৈছে। দুজনকৈ কাৰিকৰী ভাবে পাৰ্গত কৰ্মচাৰীৰ উপৰিও ৩ জন সাধাৰণ বনুৱা তেওঁ নিয়োগ কৰিছে। ভৱিষ্যতে তেওঁ সকলোৰে সুবিধাৰ নিয়ন্ত্ৰিত সেউজ গৃহ এটি স্থাপনৰ আশা ৰাখিছে আৰু আমাৰ জলবায়ুত সহজে উৎপাদন কৰিব নোৱাৰা কিছুমান প্ৰজাতিৰ ফুল/ফলৰ পুলি উৎপাদনৰ মানস কৰিছে। লৰা-ছোৱালী দুজনীৰে চাৰিজনীয়া পৰিয়ালটিক পোহ-পাল ততা শিক্ষা দিক্ষা দিবলৈ সক্ষম হোৱা শ্ৰীবৰা এজন সোণাপুৰ অঞ্চলৰ সকলোৰে পৰিচিত অমায়িক স্বভাৱৰ সচাকৈয়ে নাৰ্চাৰী ব্যৱসায়ত সফল কৃষক উদ্যোগী।

(উৎস ঃ জিলা কৃষি বিষয়া, কামৰূপ)